জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২২৮/২০২০

# বিশিষ্ট সাহিত্যিক অনিল ৰায় চৌধুৰীৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ১ মে’ঃ** বিশিষ্টি সাহিত্যিক অনিল ৰায় চৌধুৰীৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক বিবৃতিযোগে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে প্ৰয়াত অনিল ৰায় চৌধুৰীয়ে অসমৰ সাহিত্য আৰু সমাজ জীৱনলৈ যি বলিষ্ঠ অৰিহণা আগবঢ়াই গৈছে সেয়া ৰাজ্যখনৰ জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। বিভিন্ন কাকত আলোচনীত সমাজ জীৱনৰ বিভিন্ন দিশ আলোকপাত কৰাৰ উপৰি এগৰাকী ঔপন্যাসিক হিচাপেও তেখেতে ৰাজ্যৰ সাহিত্য জগতলৈ বিশেষ বৰঙণি আগবঢ়াই গৈছে। ট্ৰেড ইউনিয়ন আন্দোলনত জড়িত হোৱাৰ উপৰি বিভিন্ন সংগঠনৰ নেতৃত্ব বহন কৰি তেখেতে সমাজসেৱাৰ উৎকৃষ্ট উদাহৰণ দেখুৱাই গৈছে। তেখেতৰ বিয়োগ ৰাজ্যখনৰ সাহিত্য তথা সমাজ জীৱনৰ বাবে এক অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত অনিল ৰায় চৌধুৰীৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**পুঃডেঃ / বীঃগঃ**
**১/৫/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in